# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে কাইলৈ ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কালি মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে এই ধনৰাশিয়ে ব্যক্তিগতভাৱে সকলোকে উপকৃত কৰাৰ লগতে ৰাজ্যৰ উদ্যমিতা খণ্ডকো যথেষ্ট সমৃদ্ধ কৰিব। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত পুঁজি লাভ কৰা যোগ্য লোকসকলক অতি শীঘ্ৰে দ্বিতীয় কিস্তিৰ ধন প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

**বাইট (চি এম)**

০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। কাইলৈ বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত কাৰ্বি নাগৰিক সমাজৰ প্ৰতিনিধি আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সৈতে এখন ত্ৰিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত চৰকাৰী ভূমি আৰু ভি জি আৰ, পি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা, চৰকাৰী কাৰ্যালয়সমূহ স্থানান্তৰ কৰা, পৰিষদৰ দ্বাৰা গৃহীত মূল বিধেয়ক নিষ্পত্তি আদিকে ধৰি পূৰ্বৰ অধিবেশনত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ পৰ্যালোচনা কৰা হয়। ড০ শৰ্মাই সংশ্লিষ্ট বিভাগ তথা বিষয়াসকলক এই সিদ্ধান্তসমূহৰ শীঘ্ৰে কাৰ্যকৰীকৰণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ড০ শৰ্মাই কালি আন এখন বৈঠকত কাৰ্বি চুক্তি স্বাক্ষৰকাৰী সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ বাবে মিলিত হয়। বৈঠকত কাৰ্বি আংলঙৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ঘোষণা কৰা এহেজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসম আৰক্ষীৰ বিশেষ শাখাক কাৰ্বি সংগঠনসমূহৰ প্ৰাক্তন কেডাৰসকলৰ বাবে বিস্তৃত আত্মনিয়োগ আঁচনি প্ৰস্তুত কৰাৰ লগতে ছটা কাৰ্বি সংগঠনৰ প্ৰাক্তন কেডাৰ তথা ছহিদসকলক নিকটাত্মীয়ক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি অসমলৈ আহিব। তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া দলটোৱে আজি ৰাজ্যখনৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে নিৰ্বাচনৰ বিষয়সমূহ লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব।

০০০০০০

মহা শিৱৰাত্ৰি উপলক্ষে কালিৰে পৰা ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাও ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে।

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত কালিৰে পৰা যথা ৰীতি-নীতিৰে আশুতোষৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত কালিৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে। শিৱৰাত্ৰিৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে আজি স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০

**সমাপ্ত**